# ফ্ৰান্সৰ বিদেশ পৰিক্ৰমা আৰু আন্তৰ্জাতিক উন্নয়ন মন্ত্ৰীৰ ভাৰত ভ্ৰমণ (৩০ জুন ২০১৪ ৰ পৰা ১ জুলাই ২০১৪ লৈ)।

জুন ২৭,২০১৪

ফ্ৰান্সৰ সন্মানিয় বিদেশ পৰিক্ৰমা আৰু আন্তৰ্জাতিক উন্নয়ন মন্ত্ৰী মহামান্য শ্ৰী লৰেন্ট ফেবিয়াচে ৩০ জুন ২০১৪ ৰ পৰা ১ জুলাই ২০১৪ লৈ ভাৰতলৈ আনুষ্ঠানিক ভ্ৰমন কাৰ্য্যসূচীত আহিব ।পূৰ্ব্বতে শ্ৰী ফেবিয়াচে ৰাষ্ট্ৰপতি হ'লেগুৰ সৈতে ফেব্ৰুৱাৰী ২০১৩ চনত ভাৰতলৈ ৰাষ্ট্ৰীয় ভ্ৰমণত আহিছিল ।

দিল্লীত থকা কালত বিদেশ মন্ত্ৰী গৰাকীয়ে কেন্দ্ৰীয় বিদেশ পৰিক্ৰমা মন্ত্ৰী শ্ৰীমতী সুষমা স্বৰাজৰ সৈতে বৈঠকত মিলিত হব ।বৈঠকত দুয়োপক্ষৰ পাৰস্পৰিক গুৰুত্ব বহন কৰা দ্বিপাক্ষীক,আঞ্চলিক আৰু গোলকীয় বিষয়সমুহ আলোচনা কৰিব ।

শ্ৰী ফেবিয়াচে সন্মানিয় ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু সন্মানিয় সুৰক্ষা আৰু বিত্ত মন্ত্ৰী শ্ৰী অৰুন জেটলীক সাক্ষাৎ কৰিব ।তেওঁৰ ভ্ৰমণ কালত আন বহুতো কাৰ্য্যসূচী লৈ ব্যস্ত থাকিব ।

ভাৰত আৰু ফ্ৰান্সে এক উষ্ম আৰু বন্ধুত্বপূৰ্ণ দ্বিপাক্ষীক সম্পৰ্ক বাহাল ৰাখিছে । দুয়ো খন দেশে গোলকীয় স্তৰত পাৰস্পৰিক ভাৱে গুৰুত্ব থকা অন্যান্য বহুতো বিষয়ৰ অংশীদাৰিত্ব উপভোগ কৰি আহিছে ।ফ্ৰান্সৰ বিদেশ মন্ত্ৰী গৰাকীৰ এই ভ্ৰমণে ভাৰতবৰ্ষৰ নতুন দিল্লী নেতৃত্বৰ সৈতে এক নতুন যোগাযোগ স্থাপনৰ বাবে সুযোগ দিব আৰু ভাৰত-ফ্ৰান্সৰ সম্বন্ধৰ মাজত

ৰণকৌশলপূৰ্ণ বিষয়ৰ গুৰুত্বতাক পুনৰবাৰলৈ দোহাৰিবলৈ এক সুযোগ লাভ কৰিব ।

এটা আনুষ্ঠানিক বিষয়াৰ প্ৰতিনিধিৰ দলে শ্ৰী ফেবিয়াচক ত্ৰি যাত্ৰা কালত সহযোগ কৰিব ।তেওঁৰ প্ৰতিনিধি বৰ্গৰ সৈতে তেওঁ মোম্বাইও ভ্ৰমণ কৰিব ।